**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***<u>Headlines</u>***

১। পাকিস্তানৰ কেতবোৰ সামাজিক মাধ্যমত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ কেতবোৰ সম্পাদিত ভিডিঅ' প্ৰচাৰ কৰা হৈছে বুলি প্ৰেছ ইনফৰমেছন ব্যুৰ'ই প্ৰকাশ কৰিছে।

২। প্ৰতিবন্ধীসকলৰ প্ৰতি কৰা বিৰূপ মন্তব্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ এখন শক্তিশালী আইন প্ৰণয়ন কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে।

৩। বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে অসম বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে।

৪। কেন্দ্ৰীয় চৰকাৰে বস্ত্ৰ উদ্যোগৰ সৈতে জড়িত গৱেষণা, মূল্যায়ণ, নিৰীক্ষণ, পৰিকল্পনা আৰু টেক্স ৰেম্‌ছ্ ষ্টাৰ্ট আপ আঁচনিসমূহত অনুমোদন জনাইছে। ***আৰু***

৫। লক্ষ্ণৌত অনুষ্ঠিত চৈয়েদ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তনভি শৰ্মাই পূৰ্বৰ বিশ্ব চেম্পিয়ন নজমি অকুহাৰাক পৰাস্ত কৰে।

0000000

পাকিস্তানৰ কেতবোৰ সামাজিক মাধ্যমত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ কেতবোৰ সম্পাদিত ভিডিঅ' প্ৰচাৰ কৰা হৈছে বুলি প্ৰেছ ইনফৰমেছন ব্যুৰ'ই প্ৰকাশ কৰিছে। পি আই বিৰ সত্যাসত্য প্ৰমাণীকৰণ গোটে এই ভিডিঅ'সমূহ এ আইৰ দ্বাৰা উদ্দেশ্য প্ৰণোদিতভাৱে সম্পাদিত কৰা বুলি প্ৰকাশ কৰে। দেশত উগ্ৰবাদ বিয়পোৱা আৰু ধৰ্মনিৰপেক্ষতা দুৰ্বল কৰি তোলাৰ উদ্দেশ্যে এই ধৰণৰ ভিডিঅ' প্ৰচাৰ কৰা হৈছে বুলিও সূত্ৰটোৱে লগতে প্ৰকাশ কৰে। চৰকাৰে এনে সন্দেহজনক ভিডিঅ' বা তথ্য লাভ কৰিলে অতিশীঘ্ৰে জনসাধাৰণক ইয়াৰ সত্যাসত্য নিৰূপণৰ বাবে ৯১-৮৭৯৯৭ ১১২৫৯ বা factcheck@pib.gov.inত মেইল কৰিবলৈ আহ্বান জনাইছে।

0000000

প্ৰতিবন্ধীসকলৰ প্ৰতি কৰা বিৰূপ মন্তব্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ এখন শক্তিশালী আইন প্ৰণয়ন কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে। প্ৰতিবন্ধীসকলৰ মৰ্যদা ৰক্ষাৰ বাবে কঠোৰ আইন প্ৰণয়নৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰি উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক কয়, যে অনুসূচীত জাতি-জনজাতিৰ আইনৰ ভিত্তিত বিশেষভাৱে সমৰ্থ ব্যক্তি জীনগত সমস্যা থকা লোকক উপহাস কৰা অপমানজনক মন্তব্যক অপৰাধ হিচাপে গণ্য কৰাৰ বাবে আইন প্ৰণয়ন কৰিবলৈ আহ্বান জনায়।

মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগছিৰ বিচাৰপীঠে কয়, যে সামাজিক মাধ্যমত প্ৰচাৰ কৰা কেতবোৰ আপত্তিজনক বা বে-আইনী বিষয়বস্তুৰে প্ৰস্তুত কৰা ভিডিঅ' নিয়ন্ত্ৰণ কৰিবলৈ এটা নিৰপেক্ষ, স্বাধীন আৰু স্বায়ত্ব শাসিত সংস্থাৰ প্ৰয়োজন আছে।

এছ্ এম ই কিঅ'ৰ ফাউণ্ডেচনে দাখিল কৰা এখনৰ আবেদনৰ শুনানি গ্ৰহণ কৰি শীৰ্ষ আদালতে এই ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়।

০০০০০০০

বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ঐতিহাসিক পদক্ষেপ হিচাপে অসম বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে। শীতকালীন অধিবেশনৰ প্ৰথম দিনা উত্থাপন কৰা এই বিধেয়কৰ জৰিয়তে আইনীভাৱে প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা কাৰ্যক অপৰাধৰ শ্ৰেণীভুক্ত কৰিব খোজা হৈছে। বিধেয়কখনত পূৰ্বৰ বিবাহৰ কথা গোপনে ৰাখি দ্বিতীয় বিবাহ কৰা ব্যক্তিক ১০ বছৰ আৰু প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা ব্যক্তিক ৭ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনৰ অধীনত বাৰে বাৰে এনে অপৰাধ কৰাসকলক দুগুণ শাস্তি বিহাৰ ব্যৱস্থা আছে। বহুবিবাহত লিপ্ত হোৱা পুৰোহিত, মৌলানা, যাজক আদিক ডেৰ লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব আৰু কৰ্তৃপক্ষৰ পৰা ইচ্ছাকৃতভাৱে তথ্য লুকোৱা বা পলমকৈ তথ্য প্ৰদান কৰা লোকসকলক দুবছৰ কাৰাদণ্ড আৰু এক লাখ টকাৰ জৰিমনা বিহা হ'ব। অৱশ্যে বিধেয়কখন ৰাজ্যৰ ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকা আৰু জনজাতীয় লোকসকলৰ মাজত প্ৰযোজ্য নহ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো ঐতিহাসিক বুলি উল্লেখ কৰি কয়, যে এই বিধেয়কখন আইনত পৰিণত হ'লে অসম চৰকাৰ ধৰ্ম নিৰ্বিশেষে ৰাজ্যৰ সকলো শ্ৰেণীৰ মহিলাৰ প্ৰতি সম দৃষ্টিভংগী সম্পন্ন আৰু ন্যায় বিচাৰৰ বাবে আগ্ৰহী হোৱাটোকে প্ৰতিপন্ন কৰিব বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে তেওঁৰ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে ৰাজ্যত ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'ব বুলি ঘোষণা কৰে। মহিলাৰ বিবাহৰ ন্যূনতম বয়স ২১লৈ বৃদ্ধি কৰিব বুলিও তেওঁ মন্তব্য কৰে।

বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাত মুঠ ৩১ জন বিধায়কে অংশগ্ৰহণ কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি আই এম আৰু ৰাইজৰ দলে বিধেয়কখনত ভালেমান সংশোধনৰ আৰু বাছনি সমিতিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। বিভিন্ন বিষয়ত মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পাছত কংগ্ৰেছ আৰু ৰাইজৰ দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰে। অৱশ্যে এ আই ইউ ডি এফ আৰু চি পি আই এম দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পাছত বিধেয়কখন আইনত পৰিণত হ'ব।

০০০০০০০

ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্যায়ত ৫০ কোটি ৫০ লাখতকৈও অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে আজি প্ৰকাশ কৰে। এই পৰ্যায়ত ৫১ কোটি ভোটদাতা সংযুক্ত হোৱাৰ লগতে আৰু ৯৯ দশমিক ২৫ শতাংশ প্ৰ-পত্ৰ সামৰি লোৱা হৈছে। যোৱা ৪ নৱেম্বৰত দেশৰ ৯ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয় শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিস্তৃত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ হৈছে চত্তিশগড়, গোৱা, গুজৰাট, কেৰালা, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, পুডুচেৰী, লাক্ষ্যাদ্বীপ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে বস্ত্ৰ উদ্যোগৰ সৈতে জড়িত গৱেষণা, মূল্যায়ণ, নিৰীক্ষণ, পৰিকল্পনা আৰু টেক্স ৰেম্‌ছ ষ্টাৰ্ট আপ আঁচনিসমূহত অনুমোদন জনাইছে। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কয়, যে এই টেক্স ৰেম্‌ছ ষ্টাৰ্ট আপ আঁচনিসমূহে গৱেষণা, তথ্য আৰু বিভিন্ন উদ্ভাৱনীমূলক পদক্ষেপৰ জৰিয়তে ভাৰতৰ বস্ত্ৰ উদ্যোগক সবল কৰাৰ চেষ্টা কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই আঁচনিসমূহে সবল নেতৃত্বৰ জৰিয়তে ভাৰতক আন্তৰ্জাতিক প্ৰেক্ষাপটত বহনক্ষম, উন্নত প্ৰযুক্তি আৰু প্ৰবল প্ৰতিযোগিতাৰে আগবাঢ়ি যাবলৈ উৎসাহ যোগাব। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে, তেওঁৰ বিভাগটোৱে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ পৰা ২০৩০-৩১ বিত্তীয় বৰ্ষলৈ ৩০৫ কোটি টকাৰ অনুমোদন জনাইছে আৰু এই ধন বস্ত্ৰ বিভাগৰ বিভিন্ন আঁচনিত খৰচ কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী জিতন ৰাম মাঝি আৰু কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী সোভা কৰণ্ডৱাজেই নতুন দিল্লীত আজি উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক লগ ধৰে। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে মন্ত্ৰীজনে জানিবলৈ দিয়ে যে, তেওঁৰ বিভাগে দেশৰ অৰ্থনৈতিক বিকাশ, নিয়োগ বৃদ্ধি, উদ্যমিতাৰ বিকাশ, নাগৰিকৰ সৰলীকৰণ আৰু পৰিৱেশৰ বহনক্ষমতাৰ দিশত যথেষ্ট কাম কৰি আছে। উপ-ৰাষ্ট্ৰপতিজনক লগ ধৰি এই বিভাগৰ বিভিন্ন কামকাজৰ বিষয়ে সংক্ষেপে জানিবলৈ দিয়ে বুলিও মন্ত্ৰীগৰাকীয়ে পোষ্টটোত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া প্ৰতিষ্ঠানৰ ক্ষেত্ৰখনত খাদী, গ্ৰাম্য আৰু পৰম্পৰাগত নাৰিকলৰ ৰছীৰ উদ্যোগসমূহত প্ৰযুক্তিগত সহযোগিতা আন্তঃগাঁথনিৰ বিকাশ, কৌশল বিকাশ, বজাৰৰ সহযোগিতা ইত্যাদিৰ জৰিয়তে দেশৰ বিকাশত সহায় কৰা বুলিও জানিবলৈ দিয়ে। উপৰাষ্ট্ৰপতিগৰাকীয়ে মন্ত্ৰী জিতন ৰাম মাঝিৰ এই পদক্ষেপৰ শলাগ লয় আৰু উদ্যোগীসকল অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০০

গোৱাত চলি থকা ৫৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আজি তাকাচি মিইকে পৰিচালিত জাপানীজ ক্ৰাইম থ্ৰীলাৰ **শ্বাম** প্ৰদৰ্শিত হয়। এজন শিক্ষকে ছাত্ৰ এজনৰ ওপৰত গুণ্ডাগিৰী কৰাৰ ভুৱা অভিযোগ আৰোপিত সঁচা কাহিনীৰে নিৰ্মিত এই ছবিখন সাংবাদিক মাছুমী ফুকুডাৰ ২০০৭ৰ কিতাপৰ পৰা লোৱা হৈছে। এই ছবিখনত বিভিন্ন সংঘাটৰ বিষয়ে আলোকপাত কৰা হৈছে। শক্তিশালী আৱেগেৰে ভৰা ছবিখনৰ কাহিনী আৰু অভিনয় দৰ্শকে উপভোগ কৰা পৰিলক্ষিত হৈছে।

০০০০০০০

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ চিবিডিটিয়ে কৰদাতাসকলক পৰামৰ্শ দিবলৈ বিশেষ অভিযান মুকলি কৰিছে। অহা ৩১ ডিচেম্বৰৰ পূৰ্বে শাস্তিমূলক ব্যৱস্থাৰ পৰা ৰেহাই পোৱাৰ লগতে কৰদাতাসকলে যাতে নিজৰ কৰসমহূ সেচ্ছাই পৰ্যালোচনা কৰিব পাৰে তাৰ বাবে চিবিডিটিয়ে এই ব্যৱস্থা গ্ৰহণ কৰিছে। চিবিডিটিয়ে সকলো যোগ্য কৰ দাতাক এই সুবিধা গ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে।

০০০০০০০

লক্ষ্মৌত আজি অনুষ্ঠিত চৈয়েদ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ এখন খেলত ভাৰতৰ তনভি শৰ্মাই পূৰ্বৰ বিশ্ব চেম্পিয়ন নজমি অকুহাৰাক ১৩-২১, ২১-১৬, ২১-১৯ চেটত পৰাস্ত কৰে। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা আন আন প্ৰতিযোগীসকলৰ ভিতৰত তৃষা জলী আৰু গায়ত্ৰী গোপীচন্দৰ যুটীৰ লগতে ছিংগলছ

শিতানত উন্নতী হুদা, ইষাৰাণী বৰুৱা, মিঠুন মঞ্জুনাথ, কিডাম্বি শ্ৰীকান্ত, প্ৰিয়াংশু ৰাজাৱট তথা মনৰাজ সিঙে চেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

টকিঅ'ত অনুষ্ঠিত ২৫ সংখ্যক ছামাৰ ডিফ অলিম্পিক ২০২৫ত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলক তেওঁলোকৰ সুন্দৰ প্ৰদৰ্শনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে ৯ টা সোণসহ ২০ টা পদক লাভ কৰা খেলুৱৈসকলে দৃঢ়তা আৰু উৎসৰ্গীকৃত মনোভাবেৰে খেলাৰ বাবে এই ফলাফল লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ প্ৰতিগৰাকী খেলুৱৈ, প্ৰশিক্ষক আৰু দলৰ অন্যান্য সদস্যসকলক প্ৰশংসাৰে উপচাই দি কয়, যে খেলুৱৈসকলৰ এই সফলতাই আমাৰ দেশক গৌৰৱান্বিত কৰিছে।

জাপানৰ টকিঅ'ত অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতে ৯ টা সোণ, সাতটা ৰূপ, চাৰিটা ব্ৰঞ্জ সহ মুঠ ২০ টা পদক লাভ কৰি অভিলেখ স্থাপন কৰে।

০০০০০০০

**সমাপ্ত**